## ২.৪.২ নাটখনিৰ বিষয়বস্তু

মহাপুৰুষ শংকৰদেৱে ৰুক্মিণী হৰণ নাটৰ বিষয়বস্তু সকলো শাস্ত্ৰৰ সাৰ ভাগৱত পুৰাণৰ আধাৰত নিৰ্মাণ কৰিছে যদিও কাহিনীৰ বিকাশত তেওঁৰ নিজস্ব কলা-কৌশলৰ সুন্দৰ প্ৰকাশ ঘটিছে। ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি ৰচনা কৰা তেওঁৰ অংকীয়া নাটসমূহৰ ভিতৰত ৰুক্মিণী হৰণ কলেবৰত ডাঙৰ তথা বীৰৰস, শৃংগাৰ ৰস আৰু ভক্তিধৰ্মৰ মাহাত্ম্যৰে পূৰ্ণ এখন সৰ্বাংগ সুন্দৰ নাট। জগতৰ ঈশ্বৰ-ঈশ্বৰী শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ প্ৰেম আখ্যানেই নাটৰ বিষয়বস্তু। স্ব-প্ৰতিভাশালী শংকৰদেৱে কৃষ্ণ-ৰুক্মিণীৰ মিলনৰ মাজেৰে ঈশ্বৰ আৰু ভক্তৰ মনোবাঞ্ছা পুৰণ কৰি নাটখনৰ মাজেৰে ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল।

ৰুক্মিণী হৰণ নাটৰ ঘটনাৱলী শংকৰদেৱে এনেদৰে ৰূপ দিছে— কুণ্ডিলৰ পৰা দ্বাৰকালৈ অহা সুৰভি ভাটৰ মুখেৰে শ্ৰীকৃষ্ণই কুণ্ডিল কুঁৱৰী ৰুক্মিণীৰ ৰূপ গুণৰ কথা শুনি তেওঁক পাবলৈ ব্যাকুল হৈ পৰে। আনহাতে দ্বাৰকাৰ পৰা অহা হৰিদাস ভাটৰ মুখত শ্ৰীকৃষ্ণৰ গুণ গৰিমাৰ কথা শুনি ৰুক্মিণীয়েও তেওঁকেই স্বামীভাৱে বৰণ কৰে। কৃষ্ণ-ৰুক্মিণীৰ পৰস্পৰৰ

মাজত পূর্বৰাগৰ সৃষ্টি হ'ল। মিলনৰ আগমুহূৰ্তত নায়ক-নায়িকাৰ মনত যি পূর্বৰাগৰ উদয় হৈছে নাটত তাক অতি সুন্দৰ আৰু সজীৱভাৱে নাট্যকাৰে উপস্থাপন কৰিছে। কৃষ্ণ-ৰুক্মিণীৰ ভাব উচ্ছাসৰ মাজেৰে মিলন বাঞ্ছা জাগি উঠিল। ৰুক্মিণীৰ ইচ্ছা অনুসৰি পিতৃ-মাতৃয়েও কৃষ্ণই উপযুক্ত বৰ হ'ব বুলি ভাবি ৰুক্মিণীক তেওঁত অর্পণ কৰিবলৈ স্থিৰ কৰিলে। সখীয়েক লীলাৱতীৰ যোগেৰে এই কথা জানিব পাৰি ৰুক্মিণী আনন্দত আত্মহাৰা হৈ পৰিল। ডেকা-গাভৰুৰ মিলন পথত সমাজ, পিতৃ-মাতৃ তথা আত্মীয় হেঙাৰ স্বৰূপে থিয় হোৱাৰ দৰে কৃষ্ণ-ৰুক্মিণীৰ মিলন পথতো কণ্টক ৰূপে থিয় দিলে ৰুক্মিণীৰ জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰে। তেওঁ তেওঁৰ মিত্ৰ ছেদীৰাজ শিশুপাললৈহে ভনীয়েকক বিবাহ দিবলৈ ইচ্ছা কৰিলে। কাৰণ তেওঁৰ মতে— "সে যাদৱ অনাচাৰ, গোবধ, স্ত্রীবধ, মাতুলবধ কত পাপ কয়লি থিক, সে হামাৰ সম্বন্ধক যোগ্য হয় নাহি।" সেইবাবে শিশুপালকে ৰুক্মিণীৰ বাবে যোগ্য বৰ বুলি তেওঁ নির্বাচন কৰিলে— "সে মহাৰাজ শিশুপাল, সে ৰুক্মিণীক যোগ্য বৰ হয়, নিষ্টে তাহেক বিবাহ দেৱব।" বৰপুত্ৰৰ অংগীকাৰত বৃদ্ধৰাজ ভীষ্মকেও নিৰুপায় হৈ তেওঁৰ কথাতে হয়ভৰ দিলে। যথা সময়ত ৰুক্মবীৰৰ আমন্ত্রণ ক্রমে ৰুক্মিণীক বিবাহ কৰিবলৈ শিশুপাল কুণ্ডিল পালেহি।

অবাঞ্ছিতজনৰ আগমনত ৰুক্মিণী খন্তেকৰ বাবে বিচলিত হ'লেও বিপদৰ আগজাননীত ধৈর্যচ্যুতা নহৈ তেওঁলোকৰ মহামিত্ৰ বেদনিধি বাপুক মতাই আনিলে আৰু ঘটনাৰ সকলো দিশ বৰ্ণনা কৰি কৃষ্ণলৈ এখন পত্ৰ লেখি দি পঠালে। তপৰ বলত আকাশৰ চন্দ্ৰকো নমাই আনিব পাৰে বুলি ৰুক্মিণীক আশ্বাস দি বেদনিধি দ্বাৰকাত উপস্থিত হৈছে আৰু সকলো কথা বিৱৰি কৃষ্ণক ৰুক্মিণীৰ পত্ৰ প্ৰদান কৰিছে। ৰুক্মিণীৰ পৰা পত্ৰ পাই কৃষ্ণই এখন্তেকো পলম নকৰি উদ্ধৱ সহিতে কুণ্ডিলত উপস্থিত হৈছে। কোনো দিনে ৰথত নুঠা বেদনিধি বাপুৱে ৰথৰ বেগত মূৰ্চ্ছা গৈছে যদিও পিছত সম্বিৎ ঘূৰাই পাই কুণ্ডিলত কৃষ্ণ চিন্তাত অধীৰা ৰাজকন্যাক কৃষ্ণৰ আগমনৰ বাৰ্তা জনাইছে।

বিবাহৰ আগদিনা ৰুক্মবীৰৰ আদেশ ক্ৰমে ৰুক্মিণীয়ে সখীয়েকসকলৰ সৈতে ভৱানী মন্দিৰলৈ গৈছে। ইতিমধ্যে কৃষ্ণয়ো উদ্ধৱৰ সৈতে ভীষ্মকৰ ৰাজসভাত উপস্থিত হৈছে। শ্ৰীকৃষ্ণৰ আগমনত ৰাজসভাত উপবিষ্ট আন ৰজাসকল ভয়ত দিহাদিহি পলাবলৈ লৈছিল। কিন্তু জৰাসন্ধৰ আদেশ মতে তেওঁলোক ৰাজসভাতে ৰ'ব লগা হ'ল। ইফালে ভৱানী দেৱীৰ আশীষ লৈ ৰুক্মিণীও ৰাজসভা পোৱাত কৃষ্ণই তেওঁক তাৰ পৰাই উঠাই লৈ গুচি যায়। আন ৰজাসকলৰ সৈতে শিশুপালেও কৃষ্ণৰ এনে কাৰ্যত ক্ষোভিত হৈ কৃষ্ণক খেদি যায়। দৈৱকীৰ আদেশ ক্ৰমে বলৰাম তাত উপস্থিত হয় আৰু শিশুপাল সমন্বিতে আন ৰজাসকলৰ লগত তেওঁলোকৰ ভীষণ যুদ্ধ হয়। যুদ্ধত অন্য সকলো ৰজা পৰাজিত হয়। ৰুক্মবীৰেও কৃষ্ণক আগচি ধৰে। কৃষ্ণই ৰুক্মবীৰৰ মুণ্ড ছেদ কৰিবলৈ উদ্যত হোৱাত ৰুক্মিণীয়ে ককায়েকৰ প্ৰাণভিক্ষা কৰে। ৰুক্মিণীৰ অনুৰোধত কৃষ্ণই তেওঁক এৰি দিলে। ইয়াৰ পাছত দ্বাৰকাত মহাপয়োভৰেৰে দুয়োৰে বিবাহ সম্পন্ন হয়। স্বৰ্গ মৰ্ত্য পাতালৰ দেৱতা, অসুৰ নাগৰাজ সকলো সমবেত হয়। ভীষ্মকে বিবাহথলীত কন্যা সম্প্ৰদান কৰে। বিবাহৰ

হোম আদি কাৰ্য সম্পন্ন কৰি ব্ৰহ্মাই বৰ কইনাক আশীৰ্বাদ কৰে।

ৰুক্মিণী হৰণ নাটখনৰ মাজেৰে শংকৰদেৱে অসমীয়া সমাজ জীৱনৰ হুবহু বিয়া এখনৰ চিত্ৰকে অংকন কৰিছে। কৃষ্ণ-ৰুক্মিণীৰ বিবাহৰ মাজেৰে পুৰণি কালৰে পৰা চলি অহা আমাৰ সমাজৰ পৰম্পৰাগত বিবাহৰ প্ৰথাকে নাট্যকাৰে দাঙি ধৰিছে।

মূল ভাগৱতৰ আধাৰত নাটৰ কাহিনীভাগ নিৰ্মাণ হ'লেও নাট্যকাৰে নাটখনত ভালেখিনি মৌলিকতা প্ৰদৰ্শন কৰিছে। পৰিস্থিতি উজ্জ্বলভাৱে উপস্থাপন কৰিবলৈ আৰু চৰিত্ৰসমূহ সজীৱ কৰি তুলিবলৈ মহাপুৰুষজনাই নিজস্ব পৰিকল্পনা হাতত তুলি লৈছিল। মূলৰ ৰুক্মিণীৰ ৰূপ-সৌন্দৰ্য বৰ্ণনা নাটত অধিক বিস্তৃত; সেইদৰে নায়ক কৃষ্ণকো অধিক গুণবিশিষ্ট কৰি তোলা দেখা গৈছে।

নায়ক-নায়িকাৰ অভিপ্ৰায়ক সফল ৰূপ দিয়া বেদনিধি নামৰ চৰিত্ৰটিও নাট্যকাৰৰ নিজা সৃষ্টি। ভাগৱতত বেদনিধি চৰিত্ৰটোৰ সলনি 'বিচিন্ত্যাপ্তং দ্বিজং কশ্চিৎ' বুলিহে উল্লেখ আছে। বেদনিধিৰ হাতত যি পত্ৰ প্ৰেৰণ কৰা হৈছে ভাগৱতত তাক পাবলৈ নাই। পত্ৰত লিখা কথাখিনিও শংকৰদেৱৰ নিজস্ব কল্পনা। আকৌ, পত্ৰত লিখা কথাখিনি শ্ৰীকৃষ্ণই বেদনিধিৰ হতুৱাই পাঠ কৰোৱাত পত্ৰৰ সাৰ বিষয় দৰ্শক পাঠকে বুজাত সহজ হৈছে আৰু তাৰ ফলত নাট্যগুণ বৃদ্ধি পাইছে। মূল ভাগৱতত ৰুক্মিণী ভবানী মন্দিৰৰ পৰা অহা পথত কৃষ্ণই হৰণ কৰাৰ কথা আছে। নাটত কিন্তু ভীষ্মকৰ ৰাজসভাৰ পৰাহে কৃষ্ণই ৰথত তুলি লৈ যোৱা দেখুৱাইছে।

নায়ক-নায়িকাৰ মনত পূৰ্বৰাগৰ সৃষ্টি কৰা সুৰভি আৰু হৰিদাস ভাট নাট্যকাৰৰ নিজা উদ্ভাৱন। কুণ্ডিলৰ পৰা সুৰভি ভাটে দ্বাৰকাৰ শ্ৰীকৃষ্ণক ৰুক্মিণীৰ ৰূপ-গুণৰ কথা অৱগত কৰায় আৰু দ্বাৰকাৰ হৰিদাস ভাটে কুণ্ডিললৈ গৈ ৰুক্মিণীৰ আগত কৃষ্ণৰ গুণ-গৰিমা বৰ্ণনা কৰি সাধাৰণ প্ৰেমিক-প্ৰেমিকাৰ দৰে জগতৰ ঈশ্বৰ-ঈশ্বৰীৰ মাজত প্ৰেমভাৱ জগাই তুলিছিল। ৰুক্মিণীৰ ভূৱন ভুলোৱা ৰূপ লাৱণ্যত বিমুগ্ধ হোৱা ৰজাসকলৰ বীভৎস আচৰণ আৰু সখীসকলে তাৰ প্ৰতি কৰা হাস্যৰসিক ঘটনা মূলত নাই। ৰুক্মিণীৰ মাতৃ শশীপ্ৰভাৰ নামো মূলত থকা দেখা নাযায়। ৰুক্মিণীৰ পিতৃ বিদৰ্ভৰাজ ভীষ্মক আৰু ভাতৃ ৰুক্মবীৰৰ চৰিত্ৰ মূলতকৈ অধিক সজীৱ আৰু সক্ৰিয়। নায়ক-নায়িকা দুয়োকে সম্পূৰ্ণ ঐশ্বৰিক ৰূপত প্ৰদৰ্শন নকৰি মানৱীয় ৰূপত অংকন কৰাত সৰ্বসাধাৰণৰ বাবে চৰিত্ৰ দুটি অধিক উপাদেয় হৈ উঠিছে। ভাগৱতৰ ছেদীৰাজ দমঘোষৰ পুত্ৰ শিশুপালক

নাটত ছেদিৰাজ শিশুপাল ৰূপেহে নাট্যকাৰে অংকন কৰিছে। ৰুক্মিণীক বিবাহৰ অৰ্থে শ্ৰীকৃষ্ণই অকলে কুণ্ডিললৈ গমন কৰাত দৈৱকীৰ মাতৃ হৃদয় শংকাত কপি উঠিছে। সেইবাবে পুত্ৰৰ সহায়ৰ বাবে বলৰামক যাদৱ সৈন্যৰ সৈতে বিদৰ্ভলৈ পঠোৱা আদি কাৰ্যৰ মাজেৰে নাট্যকাৰজনাৰ নাট্যজ্ঞান তথা মঞ্চ জ্ঞানৰ সুন্দৰ চিত্ৰ প্ৰকাশ পাইছে। লগতে মাতৃ চৰিত্ৰটিও স্বাভাৱিক আৰু জীৱন্ত হৈ উঠিছে।

নাটখনিত পৰিৱেশ সৃষ্টিটো নাট্যকাৰ কৃতকাৰ্য হৈছে। ৰথৰ বেগ সহিব নোৱাৰি বেদনিধি মূৰ্চ্ছা যোৱা, ৰুক্মিণীৰ মুখচন্দ্ৰিকাৰ সময়ত ব্ৰহ্মা মূৰ্ছিত হোৱা, ভীষ্মকে মহা পয়োভৰেৰে যৌতুক আদিৰে ৰুক্মিণীক বিবাহ দিবলৈ দ্বাৰকালৈ অহা আদিত শংকৰদেৱৰ মৌলিকতা প্ৰকাশ পাইছে। কৃষ্ণ-ৰুক্মিণীৰ প্ৰেম-মিলনৰ মাজেৰে ঐশ্বৰিক আৰু মানৱীয় দুয়োটি ৰূপ প্ৰকাশ পালেও সমাজ জীৱনৰ সংঘাত, দ্বন্দ্ব আদিকো নাট্যকাৰে ঠাই দিবলৈ পাহৰা নাই। কৃষ্ণ-ৰুক্মিণীৰ প্ৰণয় পথত হেঙাৰ স্বৰূপে থিয় দি ৰুক্মবীৰে নাটত সংঘাতৰ সৃষ্টি কৰিছে। শেষত সাধাৰণ মানৱ মানৱীৰ দৰে জগতৰ ঈশ্বৰ আৰু ভক্তা ৰুক্মিণীৰ মিলনৰ মাজেৰে নাট্যকাৰে নাটৰ সুখাত্মক আৰু ভক্তি ৰসাত্মক পৰিণতি দেখুৱাইছে।

শংকৰদেৱৰ কৃত অংকীয়া নাটসমূহৰ ভাষা হৈছে ব্ৰজাৱলী। কাহিনী, চৰিত্ৰৰ মাজেৰে ভক্তিধৰ্ম প্ৰচাৰ কৰিবলৈ নাটসমূহত ব্ৰজাৱলী ভাষা প্ৰয়োগ কৰি নাট্যকাৰে সাৰ্থকতা লাভ কৰিছে। মহাপুৰুষজনাই নাটখনৰ কাহিনী আগবঢ়াই লৈ যাবলৈ সূত্ৰধাৰৰ সহায়, পৰিৱেশ পৰিস্থিতিক আয়ত্ব কৰিবলৈ গীত আৰু শ্লোকৰ প্ৰয়োগ কৰিছে। স্থান-কাল-পাত্ৰৰ ব্যৱধানখিনিকো উপযুক্ত সংলাপ আৰু পদসমূহৰ মাজেৰে নোহোৱা কৰিছে। গীতসমুহো বিভিন্ন ভাগত ভাগ কৰা হৈছে। সুহাই, ধনশ্ৰী, আশোৱাৰী, গান্ধাৰ, কানাড়া, গৌৰী, অহিৰ, ৰাগশ্ৰী, মাহুৰ, ধনশ্ৰী, বেলোৱাৰ, ভাটিয়ালী, নাট মল্লাৰ, সাৰংগ, কল্যাণ আদি বিভিন্ন ৰাগ গীতসমূহত প্ৰয়োগ হৈছে। প্ৰতিটো ৰাগৰ লগত সংগতি ৰাখি বিভিন্ন তালৰো ব্যৱহাৰ গীতবোৰত ৰখা হৈছে। একতালি, হেতিতাল, পৰিতাল, ৰূপকতাল, দোমানি জৌতিতাল, চুটকলা, খৰমান আদি তালৰ ব্যৱহাৰে নাটৰ গীতবোৰক উচ্চ পৰ্যায়লৈ লৈ গৈছে। ভাৰতৰ প্ৰাচীন মাৰ্গীয় ৰাগ-তালবোৰ শিল্পীজনাই স্থানীয় ভাৱত প্ৰয়োগ কৰিছে। কোন শ্ৰেণীৰ গীতত কি ৰাগ-তাল মিল খাব, ভটিমা পয়াৰ আদি ক'ত কেনে ভাৱে প্ৰয়োগ হ'ব, নাটৰ আৰম্ভণি তথা পৰিণতি কেনেদৰে ঘটিব এনেবোৰ কলা-কৌশলৰ বাবে 'ৰুক্মিণী হৰণ' নাটক শংকৰদেৱৰ আটাইকেইখন নাটৰ ভিতৰতে এখন আদৰ্শ নাট বুলি বিবেচিত কৰিব পাৰি।

সংস্কৃত সাহিত্যত 'কাব্যেষু নাটকং ৰম্যম্' বুলি এষাৰ বাক্য আছে— অৰ্থাৎ কাব্যৰ ভিতৰত নাটকেই হ'ল ৰমণীয়। মহাপুৰুষ শংকৰদেৱে ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে এনে ৰমণীয় নাটকেই মাধ্যম হিচাপে লৈছিল। নাটখনত বীৰ, হাস্য, কৰুণ, শৃংগাৰ আদি ৰস পিছত ভক্তি ৰসত বিলীন হৈছিল। শংকৰদেৱে পৌৰাণিক কাহিনীৰ গাম্ভীৰ্য অৱনমিত কৰা নাই। জগতৰ ঈশ্বৰ-ঈশ্বৰীক লৌকিক স্তৰলৈ নমাই আনিছে যদিও কৃষ্ণ

যে 'পৰম পুৰুষ পৰমেশ্বৰ, প্ৰপন্নজনতাৰণ- নাৰায়ণ' সেই কথা ভক্তা ৰুক্মিণীৰ হৃদয়ত প্ৰতি মুহূৰ্ততে বিৰাজ কৰিছে। মুঠতে কাহিনী, পৰিৱেশ, সংঘাত, ৰস আদি সকলোৰে সমন্বয়ত অসমীয়া সমাজ জীৱনক আগত ৰাখি নাট্যকাৰ শংকৰদেৱে ৰুক্মিণী হৰণ নাটৰ বিষয়বস্তু অতি সুন্দৰ ৰূপত দাঙি ধৰিছে।